# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 08-04-2025

**Time :** 18-00 HRS

***Assamese Evening Bulletin***

\- - - - - - - - - - - - - -

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰস্তুতি অব্যাহত আছে। জিলা প্ৰশাসনসমূহে বৈঠক অনুষ্ঠিত কৰি এই নিৰ্বাচনৰ বিভিন্ন দিশ পৰ্যালোচনা কৰিছে। ইপিনে, ৰাজনৈতিক দলসমূহে এই নিৰ্বাচনৰ বাবে তৎপৰতা আৰম্ভ কৰিছে। যোৰহাট জিলাত পঞ্চায়ত নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি চলাইছে। জিলা আয়ুক্ত জয় শিৱানীয়ে আজি পূব বাঘচোং উন্নয়ন খণ্ডৰ কাৰ্যালয় আৰু ৫১ নম্বৰ বাঘচোং চৰাইবাহী গাঁও পঞ্চায়ত পৰিদৰ্শন কৰি কাম-কাজৰ বুজ লয়। জিলাখনত আজি নিৰ্বাচনত নিয়োজিত পলিং বিষয়াসকলৰ প্ৰশিক্ষণ আৰু  বেলট বাকচসমূহৰ সাল সলনি প্ৰক্ৰিয়া সম্পন্ন কৰা হয়।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া ৩ এপ্ৰিলত আৰম্ভ হৈছে আৰু ১১ এপ্ৰিলত অন্ত পৰিব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ১৭ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। সেইদিনাই চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ০০০

০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ তিনকিলোৰ এটা কয়লাখনিত ৯ জন শ্ৰমিকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত হাফলঙৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাৰ পত্নী কনিকা হোজাইৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছে। যোৱা ৬ জানুৱাৰীত এন্দুৰৰ গাঁত সদৃশ তিনকিলোৰ এই কয়লাখনিটোত পানী সোমাই যোৱাৰ ফলত তাত থকা শ্ৰমিককেইজন আৱদ্ধ হৈ পৰে আৰু পাছত অভিযান চলাই ৯ জন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। আদালতে নিৰ্দেশত উল্লেখ কৰা মতে, এই কয়লাখনিটো কনিকা হোজাইৰ নামত পঞ্জীকৃত হৈ আছে। ইয়াৰ আগেয়ে উমৰাংছ' থানাৰ দেৱলাল গাৰ্লোচা আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে এই  বিষয়ক লৈ এটা গোচৰ ৰুজু কৰা হৈছিল। ৰাজ্য চৰকাৰে এই ঘটনাৰ কাৰণ আৰু দায়ীসকলক চিনাক্ত কৰাৰ বাবে এটা বিশেষ তদন্তকাৰী দল গঠন কৰিছে। এই দলটোৱে বিষয়টো সন্দৰ্ভত অনুসন্ধান অব্যাহত ৰাখিছে।

০০০০

বসন্তৰ আগমনত চৌদিশ সতেজ হৈ উঠাৰ সময়তে অসমীয়াই পৰম্পৰাগত ৰীতি-নীতিৰে প্ৰাণৰ আপোন ৰঙালী বিহু পালনৰ বাবে সাজু হৈছে। উজনিৰ পৰা নামনিলৈ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বাপতিসাহোন বিহু উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে।

পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতিৰ মাজতে অসমবাসীয়ে উৎসাহ-উদ্দীপনা বজাই ৰাখি বিহু পালন কৰিবলৈ সাজু হৈছে। ঠায়ে ঠায়ে বিহু ঢোলৰ চেও আৰু বিহুনামে চৌদিশ মুখৰিত কৰি তুলিছে। সমাগত ৰঙালী বিহু উপলক্ষে বিভিন্ন স্থানত কৰ্মশালা, বিপণী আদিৰ আয়োজন কৰা হৈছে।

ডিব্ৰুগড় জিলাৰ ডিব্ৰু মহাবিদ্যালয়ত আজি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ব'হাগী বিপণী শীৰ্ষক এটা কাৰ্যসূচীৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমাইয়ে মুকলি কৰা এই ব'হাগী বিপণীত ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা পিঠা-পনা, আচাৰ, গামোচা, ৰুমাল আদিকে ধৰি বিহুৰ সৈতে জড়িত সামগ্ৰীৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হয়।

তিনিচুকীয়া জিলাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত কাইলৈৰ পৰা থানা চাৰিআলিৰ ডাকবাংলা চৌহদত অসমী ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। এই ব'হাগী মেলাত ভালেসংখ্যক আত্মসহায়ক গোটৰ মহিলাই থলুৱাভাৱে উৎপাদিত তথা নিজে প্ৰস্তুত কৰা সামগ্ৰী বিক্ৰীৰ বাবে প্ৰদৰ্শন কৰিব।

০০০০

প্ৰাক্তন ক্ৰিকেট তাৰকা শচীন তেণ্ডুলকাৰে পত্নী অঞ্জলী আৰু কন্যা ছাৰাৰ সৈতে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে পৰিয়ালসহ কাজিৰঙালৈ অহা কিংবদন্তী বেটাৰজনে আজি পুৱা বাগৰি বনাঞ্চলত জীপ ছাফাৰীৰ আনন্দ লয়। বাগৰি বনাঞ্চল পৰিদৰ্শন কৰি কাজিৰঙাৰ সৌন্দৰ্যত অভিভূত হোৱা বুলি তেণ্ডুলকাৰে প্ৰকাশ কৰে। জীপ ছাফাৰীৰে বন্যপ্ৰাণী আৰু বাগৰিৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰাৰ সময়ত শচীন তেণ্ডুলকাৰ তেওঁৰ পৰিয়ালক কাজিৰঙাৰ বন বিষয়া অৰুণ ভিগনেছে সংগ দিয়ে। জীপ ছাফাৰীলৈ যোৱাৰ পূৰ্বে পুৱা পৰিয়ালসহ তেণ্ডুলকাৰে অসমীয়া জলপান গ্ৰহণ কৰে। তেণ্ডুলকাৰ আৰু পৰিয়ালে আজি নিশা কাজিৰঙাত কটোৱাৰ পাছত কাইলৈ পুৱা মুম্বাইলৈ উভতিব। উল্লেখযোগ্য যে শচীন তেণ্ডুলকাৰক এবাৰ কাষৰ পৰা চোৱাৰ বাবে বহু অনুৰাগীয়ে ভিৰ কৰা পৰিলক্ষিত হয়।

০০০০

ধেমাজি জিলাৰ চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ত আজি দিনযোৱা কাৰ্যসূচীৰে **অৰ্কিড মহোৎসৱ আৰু বসন্ত আদৰণি** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। অসম অৰ্কিড ছ'ছাইটিৰ উদ্যোগত আৰু চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষ আৰু ছাত্ৰ একতা সভাৰ সহযোগত আয়োজন কৰা এই অনুষ্ঠানত অৰ্কিড সংৰক্ষণ আৰু সংবৰ্ধন সন্দৰ্ভত আলোচনাচক্ৰ, পুষ্প মেলাৰ উপৰি বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। ০

০০০০

সদৌ অসম টাই আহোম ছাত্ৰ সন্থাই সংগঠনটোৰ তিনিচুকীয়া জিলা সমিতিৰ সহযোগত আজি তিনিচুকীয়াত ছয়গোষ্ঠীৰ জনজাতিকৰণৰ দাবীত ৰেলপথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে। ৰেল পথ অৱৰোধ

কৰাৰ ফলত নামনিমুৰা লিডু-গুৱাহাটী ইণ্টাৰচিটী এক্সপ্ৰেছখন আবদ্ধ হৈ পৰে। সংগঠনটোৱে বান খহনীয়া ৰোধৰ দাবীতো এই কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০

লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ চতুৰ্থ প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হৈছে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি স্থানীয় বিধায়ক মানৱ ডেকাই চিকিৎসালয়খনৰ চাৰিটা বছৰ সফলতাৰে অতিক্ৰম কৰাৰ বাবে অধ্যক্ষ, চিকিৎসক আৰু কৰ্মচাৰীসকললৈ শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানত চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ প্ৰাঞ্জল তহবিলদাৰ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য নিৰোদ বৰুৱা, সহ-অধীক্ষক ড০ ৰক্তিম বৰগোহাঁই প্ৰমুখ্যে কেইবাজনো চিকিৎসক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

০০০০০০

তিনিচুকীয়া জিলাৰ হিজুগুৰিত সংঘটিত এটা পথ দুৰ্ঘটনাত পিতৃ আৰু পুত্ৰৰ থিতাতে নিহত হৈছে। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন ডাম্পাৰে খুন্দিওৱাৰ ফলত মটৰচাইকেলত অহা পিতৃ আৰু পুত্ৰ থিতাতে নিহত হয়। দুৰ্ঘটনা সংঘটিত কৰি ডাম্পাৰ চালকে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আৰক্ষীয়ে মৃতদেহ দুটা মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

০০০০

সমাপ্ত